# ভাৰত-যুক্তৰাষ্ট্ৰৰ পঞ্চম লানি ষ্ট্ৰেটেজিক আলোটনা ।

জুলাই ২৪,২০১৪

বিদেশ মন্ত্ৰী স্ৰী মতী সুষমা স্বৰাজে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেক্ৰেটেৰী অৱ ষ্টেট মি: জন কেৰীক ৩০ জুলাইৰ পৰা ১ আগষ্ট ২০১৪ লৈ দিল্লীত আমন্ত্ৰন জনাইছে ।বিদেশ মন্ত্ৰী আৰু চেক্ৰেটেৰী কেৰীয়ে ৩১ জুলাই তাৰিখে ভাৰত-আমেৰীকা যুক্তৰাষ্ট্ৰৰ পঞ্চম লানি বৈঠকত যুটীয়া ভাৱে সভাপতিত্ব কৰিব ।

নতুন চৰকাৰখনৰ প্ৰতিষ্ঠিত হোৱাৰ পাছত চেক্ৰেটেৰী কেৰীৰ এইয়াই প্ৰথম ভ্ৰমণ আৰু পৰস্পৰে দায়িত্ব গ্ৰহণৰ অন্তত প্ৰথম খন বৈঠক ।চেক্ৰেটেৰী কেৰীয়ে এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ উপৰিও ভাৰতীয় নেতৃত্বৰ সৈতে মিলিত হব । চেক্ৰেটেৰী কেৰীয়ে এই ভ্ৰমণ কালতেই বাঙ্গালুৰুও ভ্ৰমণ কৰিব ।

ষ্ট্ৰেটেজিক আলোচনাৰ সময় বিদেশ মন্ত্ৰী শ্ৰী মতী সুষমা স্বৰাজ আৰু চেক্ৰেটেৰী কেৰী দ্বিপাক্ষীক,আঞ্চলিক আৰু বিভিন্ন আৰ্ন্তজাতিক বিষয় সমুহৰ সন্দৰ্ভত মত বিনিময় কৰিব ।দ্বিপাক্ষীক বিষয়সমুহৰ ভিতৰত নিৰাপত্তা,বাণিজ্য আৰু বিনিয়োগ,বিজ্ঞান আৰু প্ৰযুক্তি,শক্তি ও পৰিবেশ আৰু মানবিক পৰিষেবা ক্ষেত্ৰত সহযোগিতা বৃদ্ধি সম্বন্ধে আলোচনা কালত গুৰুত্ব পাব । পৰস্পৰে বিভিন্ন দিশৰ বহুদেশীয় মঞ্চৰ প্ৰসংগসমুহ কাৰ্য্যকৰী কৰাৰ বাবে আলোচনা কৰিব ।

চেক্ৰেটেৰী কেৰীয়ে বাণিজ্য, শক্তি,আভ্যন্তৰীণ নিৰাপত্তা,বিদেশ মন্ত্ৰনালয়ৰ প্ৰতিনিধি সকলৰ লগতে বিভিন্ন আৰ্ন্ত এজেঞ্চীৰ এক উষ্চস্তৰীয় প্ৰতিনিধিৰ

দলক নেতৃত্ব প্ৰদান কৰিছে ।বাণিজ্য সচিব পেনি প্ৰিটজিকাৰ,শক্তি বিভাগৰ উপ সচিব ড্যানিয়েল পনিম্যান,আভ্যন্তৰীণ নিৰাপত্তা বিভাগৰ বিশেষ দূত টড ষ্টাৰ্ণ এই প্ৰতিনিধি দলটোত অংশ গ্ৰহন কৰিব ।

ষ্ট্ৰেটেজিক সহযোগিতা,শক্তি ও জলবায়ু পৰিবৰ্তন শিক্ষা ও উন্নয়ন, অৰ্থনীতি বাণিজ্য আৰু কৃষি,বিজ্ঞান,স্বাস্থ্য আৰু উদ্ভাবনী –বিভিন্ন স্বাৰ্থৰ এই পাচটা স্তম্ভক চিন্হিত কৰাৰ জৰিয়তে  ২০০৯ চনৰ জুলাই মাহত ভাৰত-যুক্তৰাষ্ট্ৰৰ মন্ত্ৰী পৰ্যায়ৰ ,ষ্ট্ৰেটেজিক আলোচনাৰ সুচনা কৰা হৈছিল ।প্ৰথম ষ্ট্ৰেটেজিক আলোচনা ২০১০ চনৰ জুন মাহত ৱাচিংটন ডিচিত অনুষ্ঠিত হৈছিল । ইয়াৰ পাছতেই পৰ্যায় ক্ৰমে নতুন দিল্লীত(২০১১ চনৰ জুলাই),ৱাচিংটন ডিচি(২০১২ চনৰ জুন) আৰু নতুন দিল্লীত (২০১৩ চনৰ জুন)এই ষ্ট্ৰেটেজিক আলোচনা অনুষ্ঠিত হয় ।

নতুন দিল্লী

২৪ জুলাই ২০১৪